**অসম বিধান সভা**
**তৰাযুক্ত প্ৰশ্ন নং ১৩৫**
**উত্তৰ দিয়াৰ তাৰিখ-১৪-০৭-২০২৬**

**বিষয়ঃ বৃদ্ধ, বিধৱা আৰু দিব্যাংগ পেঞ্চন**

**শ্ৰী ধৰ্মেশ্বৰ ৰয়, বিধায়ক**

**প্ৰশ্নঃ-**

মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৃদ্ধ, বিধৱা আৰু দিব্যাংগ পেঞ্চন লাভ কৰা সকলৰ টকা প্ৰাপ্তিত হোৱা সমস্যাৰ সমাধানৰ বাবে কি ব্যৱস্থা লোৱা হৈছে?

(খ) টিপচহী দাতা পেঞ্চনাৰসকলক ATM কাৰ্ড প্ৰদানৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি ?

(গ) অংগনৱাড়ী কেন্দ্ৰসমূহত পুষ্টিকৰ খাদ্য নিয়মীয়াকৈ যোগান ধৰা হৈছে নেকি ?

(ঘ) পাকা মৌজাৰ অন্তৰ্গত অঙ্গনৱাড়ী কেন্দ্ৰসমূহ বজালী সংহত শিশু উন্নয়ন প্ৰকল্পলৈ অনাৰ বাবে কিবা পৰিকল্পনা কৰিছেনে ?

**উত্তৰঃ-**

**মাননীয়া মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ মহোদয়াই উত্তৰ দিবঃ-**

(ক)মহিলা আৰু শিশু উন্নয়ন বিভাগ জড়িত নহয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ পৰা পোৱা তথ্য **পৰিশিষ্ট "ক"** ত সংলগ্ন কৰা হ'ল।

(খ)মহিলা আৰু শিশু উন্নয়ন বিভাগ জড়িত নহয়। অৱশ্যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ পৰা পোৱা তথ্য অনুসৰি সামাজিক সাহায্য আঁচনিৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

(গ) অংগনবাড়ী কেন্দ্ৰসমূহত পুষ্টিকৰ খাদ্য নিয়মীয়াকৈ যোগান ধৰি থকা হৈছে।

(ঘ) সমষ্টি পুনৰ নিৰ্ধাৰণ হোৱাৰ পিছত, সংহত শিশু উন্নয়ন প্ৰকল্প সমূহ নতুন সমষ্টি অনুসৰি পুনৰ গঠন প্ৰক্ৰিয়া কাম আৰম্ভ কৰা হৈছে।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি **পৰিশিষ্ট "ক"** ৰ সৈতে অসম বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

************

**পৰিশিষ্ট -"ক"**

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা সামাজিক সাহায্য আঁচনিসমূহৰ অধীনত সকলো হিতাধিকাৰীক Direct Benefit Transfer (DBT) ৰ জৰিয়তে পেঞ্চনৰ ধনৰাশি পোনপটীয়াকৈ তেওঁলোকৰ বেংক একাউণ্টত প্ৰদান কৰা হয়। তদুপৰি, ২০২১ চনৰ জুন মাহৰ প্ৰতিমাহে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত, মাহৰ ১০ তাৰিখৰ ভিতৰত, পেঞ্চনৰ ধন প্ৰেৰণৰ ব্যৱস্থা কৰা হৈছে।

পেঞ্চনৰ ধন লাভৰ ক্ষেত্ৰত কোনো হিতাধিকাৰীৰ বেংক একাউণ্টৰ KYC সম্পূৰ্ণ নোহোৱা, আধাৰ-বেংক সংযোগ (Aadhaar Seeding), বেংক একাউণ্টৰ ত্ৰুটি অথবা অন্যান্য কাৰিকৰী কাৰণত ধন জমা নহ'লে, তেনে সমস্যা সমাধানৰ বাবে সংশ্লিষ্ট উন্নয়ন খণ্ড, গাঁও পঞ্চায়ত আৰু জিলা পৰ্যায়ত নিয়মীয়া পৰ্যবেক্ষণ আৰু অনুসৰণ কৰা হয়।

যদিহে কোনো কাৰিকৰী বা বেংকজনিত কাৰণত নিৰ্দিষ্ট মাহত পেঞ্চনৰ ধন জমা নহয় আৰু পৰৱৰ্তী সময়ত সমস্যাটো সমাধান হয়, তেন্তে যোগ্য ধনৰাশি বকেয়া (Arrear) হিচাপে পৰৱৰ্তী মাহত হিতাধিকাৰীৰ বেংক একাউণ্টত জমা দিয়াৰ ব্যৱস্থা আছে।